**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-04-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-----------------------

১।	অক্টোবৰৰ ভিতৰত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় চৌহদত নিৰ্মীয়মান মাতৃ আৰু শিশু চিকিৎসালয়ৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হোৱাৰ সম্ভাৱনা।

২।	মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ দুদিনীয়া কাৰ্বি আংলং ভ্ৰমণত মুঠ ১০ হাজাৰ ৪৮২ লাখ ৬৫ হাজাৰ টকাৰ প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন।

৩।	পঞ্চায়ত নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ আজি অন্তিম দিন।

৪।	উচ্চতম ন্যায়ালয়ত ৱক্‌ফ সংশোধনী আইন সম্পৰ্কত আজিৰে পৰা প্ৰতি দিনে শুনানি।

**আৰু**

৫।	আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱানিশা ৰাজস্থান ৰয়েলছ্‌, ডেহলি কেপিটেলছ্‌ৰ হাতত পৰাজিত।

০০০০০০০০

অক্টোবৰৰ ভিতৰত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাল চৌহদত চৌহদত নিৰ্মীয়মান মাতৃ আৰু শিশু চিকিৎসালয়ৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হোৱাৰ সম্ভাৱনা আছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই কালি গুৱাহাটীৰ কালাপাহাৰত নিৰ্মীয়মান প্ৰাগজ্যোতিষপুৰ চিকিৎসা মহাবিদ্যালয় আৰু জি এম চি এইচ চৌহদত নিৰ্মীয়মান মাতৃ আৰু শিশু চিকিৎসালয় পৰিদৰ্শন কৰি কয় যে ৰাজ্য চৰকাৰে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালক দেশৰ ভিতৰতে অন্যতম বৃহৎ চিকিৎসালয়লৈ ৰূপান্তৰিত কৰাৰ পৰিকল্পনা কৰিছে। ইয়াৰ বাবে ইতিমধ্যে প্ৰাৰম্ভিক প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। তেওঁ কয়, যে ৫০-৭৫ বছৰৰ প্ৰয়োজনীয়তালৈ লক্ষ্য ৰাখি নতুন ভৱনসমূহ নিৰ্মাণৰ উপৰি অত্যাধুনিক সা-সুবিধাৰ সংযোজনেৰে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালক নতুন ৰূপ দিয়াৰ পৰিকল্পনা গ্ৰহণ কৰা হৈছে। ইতিমধ্যে প্ৰস্তুত হোৱা নক্সাৰ আধাৰত চিকিৎসা মহাবিদ্যালয়খনত ৰোগীৰ বাবে ৩ হাজাৰ খন বিছনা সন্নিবিষ্ট কৰা হ'ব বুলি ড০ শৰ্মাই প্ৰকাশ কৰে।

ইয়াৰ পূৰ্বে তেওঁ কালাপাহাৰত নিৰ্মীয়মান প্ৰাগজ্যোতিষপুৰ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাল পৰিদৰ্শন কৰি অহা ১৫ আগষ্টৰ পূৰ্বে ইয়াৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ হ'ব বুলি আশা প্ৰকাশ কৰে। তেওঁ কয়, যে মহাবিদ্যালয়খনৰ নিৰ্মাণকাৰ্য ৮০ শতাংশ সম্পূৰ্ণ হৈছে আৰু বহিঃবিভাগৰ সেৱা আগবঢ়াই থকা হৈছে।

নিৰ্মাণকাৰ্য সম্পূৰ্ণ হৈ উঠাৰ পাছত এই চিকিৎসা মহাবিদ্যালয়ৰ এম বি বি এছ্ পাঠ্যক্ৰমত এশগৰাকী শিক্ষাৰ্থীয়ে নামভৰ্তি কৰিব পাৰিব বুলি মুখ্যমন্ত্ৰী শৰ্মাই প্ৰকাশ কৰে। পৰৱৰ্তী সময়ত চিকিৎসা মহাবিদ্যালয়খনত ৫০০ খন বিছনাযুক্ত আন এটা ভৱন নিৰ্মাণৰ পৰিকল্পনা গ্ৰহণ কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

ড০ শৰ্মাই কালি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত নিৰ্মীয়মান মাতৃ আৰু শিশু চিকিৎসালয়ৰ কাম-কাজৰ অগ্ৰগতিৰো বুজ লয়। তেওঁ কয়, যে অক্টোবৰত নিৰ্মাণকাৰ্য সম্পূৰ্ণ হ'বলগীয়া এই চিকিৎসালয়খনত ৮০০খন বিছনা থাকিব আৰু গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ অধ্যক্ষৰ কাৰ্যালয় এই চিকিৎসালয়লৈ স্থানান্তৰ কৰা হ'ব। চিকিৎসালয়খনৰ বিছনা ৩ হাজাৰলৈ বৃদ্ধি কৰা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে। তেওঁ কয়, যে নিৰ্মীয়মান মহেন্দ্ৰ মোহন চৌধুৰী চিকিৎসালয়ত স্নায়ুবিজ্ঞান, হৃদৰোগকে ধৰি বিভিন্ন ছুপাৰ স্পেচিয়েলিটী সেৱা উপলব্ধ হ'ব। চিকিৎসালয়খনত বৃক্ক সংৰোপণৰো ব্যৱস্থা থাকিব। ৮০০ খন বিছনাযুক্ত এই চিকিৎসালয়খনৰ নিৰ্মাণ পূৰ্ণ গতিত চলি আছে।

ooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আজি দুদিনীয়া ভ্ৰমণসূচীৰে পাহাৰীয়া জিলা কাৰ্বি আংলঙত উপস্থিত হ'ব। এই ভ্ৰমণ কালত মুখ্যমন্ত্ৰীগৰাকীয়ে কেইবাটাও গুৰুত্বপূৰ্ণ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰীৰ কাৰ্বি আংলং ভ্ৰমণকালত মুঠ ১০ হাজাৰ ৪৮২ লাখ ৬৫ হাজাৰ টকাৰ প্ৰকল্পৰ উদ্বোধনৰ লগতে আধাৰশিলা স্থাপন কৰিব। পুৱাৰ ভাগত ডিফুৰ তাৰালাংছ'ত উপস্থিত হৈ মুখ্যমন্ত্ৰীয়ে কাজিৰ ৰংহাপী অতিথিশালাত ২০২১ চনৰ কেন্দ্ৰীয় চৰকাৰৰ সৈতে বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰা কাৰ্বি আংলঙৰ প্ৰাক্তন বিদ্ৰোহী সংগঠনৰ সৈতে আলোচনাত মিলিত হ'ব। দিনৰ ভাগত ডিফুত লোকনিৰ্মাণ বিভাগৰ এটা ভৱন উদ্বোধন কৰাৰ লগতে প্ৰথমজন কাৰ্বি ৰজাৰ এটা প্ৰতিমূৰ্তিও উন্মোচন কৰিব। লগতে ডিফুৰ অংগনবাড়ী কৰ্মী আৰু সহায়িকাৰ মাজত সামগ্ৰী বিতৰণ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে এখন ৰাজহুৱা সভাত অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰীৰ এই ভ্ৰমণৰ সময়ছোৱাত কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙৰ লগতে পৰিষদৰ কেইবাজনো পাৰিষদে সংগ দিব। ডিফুত সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ এটা প্ৰতিমূৰ্তি উন্মোচন আৰু এটা সামূহিক ভৱনো উদ্বোধন কৰিব। সন্ধিয়াৰ ভাগলৈ মুখ্যমন্ত্ৰীগৰাকীয়ে কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ বিষয়ববীয়াৰ সৈতে এক আলোচনাত মিলিত হ'ব। নিশা তাৰালাংছ'ত অনুষ্ঠিত হ'বলগীয়া এক সাংস্কৃতিক অনুষ্ঠানতো মুখ্যমন্ত্ৰীগৰাকীয়ে অংশগ্ৰহণ কৰাৰ কথা।

ooooo

অহা ২ আৰু ৭ মে'ত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ বাবে আজি মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন। বিয়লি ৩ বজাত মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ সময় উকলি যোৱাৰ পাছত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা প্ৰাৰ্থীৰ চূড়ান্ত তালিকা প্ৰকাশ কৰা হ'ব। ৰাজ্যৰ বিভিন্ন ঠাইত প্ৰাৰ্থীসকলে নিৰ্বাচনৰ বাবে প্ৰচাৰ আৰম্ভ কৰিছে। জিলা আয়ুক্তসকলে ভিন ভিন স্থানত স্থাপন হ'বলগীয়া ষ্ট্ৰং ৰূম আৰু গণনা কক্ষৰ স্থান পৰিদৰ্শন কৰাৰ উপৰি নিৰ্বাচনৰ বিভিন্ন দিশ তথা কাম-কাজৰ বুজ লৈছে।

কামৰূপ জিলাত পঞ্চায়ত নিৰ্বাচন সন্দৰ্ভত এয়া আমাৰ কামৰূপৰ সংবাদদাতা কৌশিক দাস—

**বাইট (কৌশিক দাস)**

০০০০০

উচ্চতম ন্যায়ালয়ে ৱক্‌ফ সংশোধনী আইনৰ সাংবিধানিক বৈধতাৰ প্ৰশ্ন তুলি দাখিল কৰা কেইবাখনো আবেদন সন্দৰ্ভত  আজিৰে পৰা প্ৰতি দিনে শুনানি গ্ৰহণ কৰিব। মুখ্য ন্যায়াধীশ সঞ্জীৱ খান্না, ন্যায়াধীশ সঞ্জয় কুমাৰ আৰু ন্যায়াধীশ কে ভি বিশ্বনাথনক লৈ গঠিত এখন বিচাৰপীঠে কালি দিনৰ ২ বজাত গোচৰটোৰ শুনানি আৰম্ভ কৰে আৰু কেন্দ্ৰীয় চৰকাৰৰ হৈ ছলিচিটৰ জেনেৰেল তুষাৰ মেহতাই ৱক্‌ফ সংশোধনী আইনৰ সপক্ষে আগবঢ়োৱা যুক্তি শুনে। ছলিচিটৰ জেনেৰেলগৰাকীয়ে এই ক্ষেত্ৰত ন্যায়ালয়ে কোনো অন্তৰ্বৰ্তীকালীন আদেশ জাৰি কৰাৰ বিৰোধিতা কৰে আৰু ইয়াৰ পাছত ন্যায়ালয়ে কেন্দ্ৰীয় চৰকাৰক নিজৰ শপতনামা দুসপ্তাহৰ ভিতৰত দাখিল কৰাৰ বাবে জাননী জাৰি কৰে। শুনানিৰ সময়ত আদালতে দেশৰ বিভিন্ন অংশত ৱক্‌ফ আইনক লৈ সৃষ্টি হোৱা হিংসাত্মক প্ৰতিবাদ সন্দৰ্ভত উদ্বেগ প্ৰকাশ কৰে আৰু এই পৰিস্থিতি শীঘ্ৰেই নিয়ন্ত্ৰণ কৰাৰ ব্যৱস্থা ল'বলৈ চৰকাৰক নিৰ্দেশ দিয়ে।

উল্লেখযোগ্য যে লোকসভাৰ সাংসদ তথা কংগ্ৰেছৰ মুখ্য সচেতক মহম্মদ জাভেদ, অল ইণ্ডিয়া মজলিছ-ই-ইত্তেহাদি মুছলমিনৰ হৈ ইয়াৰ মুৰববী আছাদউদ্দিন ওৱেছি, এছোচিয়েচন অব চিভিল ৰাইটছ, জামায়াত উলেমা-ই-হিন্দ, অল ইণ্ডিয়া মুছলিম পাৰ্চনেল ল বোৰ্ডকে ধৰি কেইবাটাও সংগঠনে এই আইনৰ বিৰোধিতা কৰি উচ্চতম ন্যায়ালয়ত আবেদন দাখিল কৰিছিল। কেন্দ্ৰীয় চৰকাৰৰ লগতে অসম, হাৰিয়ানা, মহাৰাষ্ট্ৰ, মধ্য প্ৰদেশ, ৰাজস্থান, ছত্তিশগড় আৰু উত্তৰাখণ্ডেও এই আবেদনৰ বিৰোধিতা কৰি উচ্চতম ন্যায়ালয়ত আবেদন দাখিল কৰিছিল।

০০০০০

ৰাজ্যজুৰি ৰঙালীৰ উছাহ অব্যাহত আছে। অসমবাসীয়ে আজি সাদিনীয়া ৰঙালী বিহুৰ চতুৰ্থ দিনটো তাঁতৰ বিহু হিচাপে পালন কৰিব। ৰঙালী বিহুৰ পৰম্পৰা অনুসৰি সাত বিহুৰ অন্যতম হ'ল তাঁতৰ বিহু। অসমীয়া জনজীৱনৰ আদৰৰ সম্পদ তাঁতশালৰ গুৰুত্বক অনুধাৱনেৰে ৰঙালী বিহুৰ চতুৰ্থ দিনা তাঁতৰ বিহু পালন কৰি অহা হৈছে। কাইলৈ নাঙল বিহু, পৰহিলৈ জীয়ৰী বা চেনেহী বিহু আৰু দেওবাৰে চেৰাবিহু পালন কৰা হ'ব। অৱশ্যে, ঠাই বিশেষে সাদিনীয়া বিহুৰ প্ৰতিটো দিনৰে নামৰ ক্ষেত্ৰত কিছু বৈসাদৃশ্য আছে। সাদিনীয়া বিহুৰ শেষৰটো দিনত বিভিন্ন অঞ্চলত বিহু ভঙা উৎসৱ, পাৰতোলা বা ভঠেলী পালন কৰা হ'ব। ৰাজ্যৰ প্ৰান্তে প্ৰান্তে আয়োজন কৰা মঞ্চ বিহু অনুষ্ঠানসমূহত হুঁচৰি, বিহুনাচ, লোক কৃষ্টিৰ বিভিন্ন অনুষ্ঠানৰ লগতে জনপ্ৰিয় সংগীত শিল্পীৰ সংগীতানুষ্ঠান উপভোগ কৰিবলৈ অগণন লোকৰ সমাগম হৈছে।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে বাতৰি আৰু অনুষ্ঠান সম্পৰ্কত শ্ৰোতা ৰাইজৰ মতামত আৰু অভিমত লোৱাৰ বাবে ফোন লাইন পুনৰ মুকলি কৰিছে। আঞ্চলিক বাতৰি, ৰাষ্ট্ৰীয় আৰু আন্তৰ্জাতিক বাতৰি, জিলাৰ ৰেহৰূপ, দৃষ্টিপাত, সংবাদ চলন্তিকা, ক্ৰীড়া বাৰ্তা আৰু প্ৰাসংগিক অনুষ্ঠান সম্পৰ্কীয় অভিমত আৰু পৰামৰ্শ শ্ৰোতাসকলে ৯৮৬৪০ ৫৫৫৬৬ নম্বৰত ৱাটছএপ যোগে পঠিয়াব পাৰিব। এই অনুষ্ঠানৰ নিৰ্বাচিত অংশ অহা ১৯ এপ্ৰিল শনিবাৰে নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাত অনুষ্ঠানত প্ৰচাৰ কৰা হ'ব।

০০০০০

বিধি বলবৎকাৰী সঞ্চালকালয়ে কালি কামৰূপ মহানগৰ জিলাৰ অতিৰিক্ত জিলা আয়ুক্ত সুকন্যা বৰাৰ ৭ কোটি ৩৩ লাখ টকা স্থাৱৰ আৰু অস্থাৱৰ সম্পত্তি জব্দ কৰিছে। আয়ৰ জ্ঞাত উৎসতকৈ অধিক সম্পত্তি আহৰণৰ গোচৰত মুখ্যমন্ত্রীৰ তদাৰকী কোষে অতিৰিক্ত আয়ুক্ত সুকন্যা বৰাক গ্রেপ্তাৰ কৰাৰ লগতে বিধি বলবৎকাৰী সঞ্চালকালয়ে নিজাববীয়াকৈ তদন্ত আৰম্ভ কৰিছিল। বিধি বলবৎকাৰী সঞ্চালকালয়ৰ তদন্তত অভিযুক্ত সুকন্যা বৰাৰ লগতে তেওঁৰ পৰিয়ালৰ বেংক একাউণ্টত আয়ৰ উৎসৰ সৈতে সামঞ্জস্য নথকাকৈ ৯৮ লাখ ৬৬ হাজাৰ টকা জমা ৰখাৰ তথ্য লাভ কৰিছিল। অভিযুক্ত সুকন্যা বৰাই ৩ কোটি ২৫ লাখ টকাৰ তিনিটাকৈ স্থানত ভূমি ক্রয় কৰাৰ লগতে বেংক একাউণ্টত ৬৫ লাখ ৫৪ হাজাৰ টকা জমা ৰখাৰ তথ্য তদন্তত পোহৰলৈ আহে। ইয়াৰ পাছতে তদন্তকাৰী সংস্থাটোৱে বিত্তীয় অনিয়মৰ অভিযোগত অতিৰিক্ত জিলা আয়ুক্ত সুকন্যা বৰাৰ ৭ কোটি ৩৩ লাখ টকাৰ সম্পত্তি জব্দ কৰে। উল্লেখ্য যে পূৰ্বে মুখ্যমন্ত্রী কোষে অভিযুক্ত সুকন্যা বৰাই ৮ কোটি ১৪ লাখ টকাৰ আয়ৰ জ্ঞাত উৎসতকৈ অধিক সম্পত্তি আহৰণৰ তথ্য বিশেষ ন্যায়াধীশৰ আদালতত অভিযোগনামা দাখিল কৰিছিল।

ooooo

আই পি এল ক্রিকেট প্রতিযোগিতাত যোৱানিশা দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত অনুষ্ঠিত এখন ৰোমাঞ্চকৰ খেলত ডেহলি কেপিটেলছে ৰাজস্থান ৰয়েলছক ছুপাৰ অভাৰত পৰাস্ত কৰে। ডেলহি কেপিটলছে প্রথমে বেট ধৰাৰ আমন্ত্রণ লাভ কৰি অভিযেক পোৰেলৰ ৪৯ আৰু কে এল ৰাহুলৰ ৩৮ ৰানৰ সহায়ত নিৰ্ধাৰিত ২০ অভাৰত ৫টা উইকেট হেৰুৱাই ১৮৮ ৰান কৰে। প্রত্যুত্তৰত ৰাজস্থানেও নিৰ্ধাৰিত ২০ অভাৰত ৪টা উইকেট হেৰুৱাই ১৮৮ ৰান সংগ্ৰহ কৰে। দুয়োটা দলৰ স্ক’ৰ সমান হোৱাত ছুপাৰ অভাৰৰ সহায় ল’বলগীয়া হয়। ছুপাৰ অভাৰত ৰাজস্থান ৰয়েলছে ১১ ৰান কৰে। ডেলহি কেপিটেলছে দুটা বল খেলিবলৈ বাকী থকা অৱস্থাত নিৰ্ধাৰিত লক্ষ্য অতিক্রম কৰে।

প্রতিযোগিতাত আজি মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত হ’বলগীয়া এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদ মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ’ব।

ooooo

ৰাজ্যজুৰি ৰঙালী বিহু উদযাপনৰ বা বাতৰি গুৱাহাটীৰ পৰা আজি প্রকাশিত বাতৰি কাকতসমূহে প্রথম পৃষ্ঠাত আলোকচিত্র সহ প্রকাশ কৰিছে।

লোকনিৰ্মাণ পথ বিভাগৰ মুখ্য অভিযন্তাৰ এক নিৰ্দেশ অনুসৰি ঠিকাদাৰসকলৰ পঞ্জীয়ন মাছুল ৪০০% পৰ্য্যন্ত বৃদ্ধি পাব। এই বাতৰিটো অসমীয়া প্রতিদিন কাকতে প্রথম পৃষ্ঠাত প্রকাশ কৰিছে। দনাৰ মন্ত্রালয়ে মঙ্গলবাৰে আয়োজন কৰা বিভিন্ন ৰাষ্ট্ৰৰ ৰাষ্ট্ৰদূত সকলৰ বৈঠকত প্রায় ৮০ খন দেশে উত্তৰ পূৰ্বাঞ্চলত বিনিয়োগৰ বাবে আগ্রহী বুলি প্রকাশ কৰিছে। এই বাতৰিটো The Assam Tribune আৰু The Sentinel কাকতে প্রথম পৃষ্ঠাত প্রকাশ কৰিছে। অহা ১৫ আগষ্টৰ ভিতৰত প্রাগজ্যোতিষ চিকিৎসা মহাবিদ্যালয় হস্পিটেলৰ নিৰ্মাণ সম্পূৰ্ণ হব। মুখ্যমন্ত্রী হিমন্ত বিশ্ব শৰ্মাৰ উদ্ধৃতিৰে এই বাতৰিটো প্রায় কেইখন কাকতে প্রথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্রকাশ কৰিছে।

দৈনিক জনমভূমি কাকতে নেশ্যনেল হেৰাল্ড গোচৰত কংগ্ৰেছৰ শীৰ্ষ নেতা ছোনিয়া গান্ধী আৰু ৰাহুল গান্ধী গ্ৰেপ্তাৰ হোৱাৰ সম্ভাবনা প্ৰকাশ পাইছে। এই বাতৰিটো দৈনিক জনমভূমি কাকতৰ লগতে নিয়মীয়া বাৰ্তা প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। পহিলা বহাগৰ পৰা চৰকাৰী কাম কাজত অসমিয় ভাষাৰ ব্যবহাৰ আৰম্ভ কৰিছে। এই বাতৰিটো The Assam Tribune দৈনিক জনমভূমি, The Sentinel আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

000000

সহস্ৰাধিক কোটি টকা ব্যয় কৰিও অসমত দুটা জলবিদ্যুৎ প্ৰকল্প আধৰুৱা হৈ আছে। এই বাতৰিটো দৈনিক অসম কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। মেৰাপানীত বিজেপিৰ বুথ সভাপতিক হত্যাককেন্দ্ৰ কৰি অঞ্চলটোত উত্তেজনাই বিৰাজ কৰিছে। এই বাতৰিটো অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। স্বেচ্ছাই আমেৰিকা ত্যাগ কৰিলে উদগণিমূলক ধন , ভাট্টা, বিমানৰ টিকট দিয়াৰ কথা দেশখনৰ ৰাষ্ট্ৰপতি দনাল্ড ট্ৰেম্পে ঘোষনা কৰিছে। এই বাতৰিটো দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ৰাজ্যত খহনীয়াত ক্ষতিগ্ৰস্ত লোকসকলৰ পুনৰ সংস্থাপনৰ বাবে ৫২৬ কোটি টকাৰ প্ৰকল্প ৰূপায়ণত অনুমোদন জনোৱা হৈছে । এই বাতৰিটো The Sentinel কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। পলাতক প্ৰবঞ্চক মেহুল চক্সিক বেলজিয়ামত গ্ৰেপ্তাৰ কৰা হয়। এই বাতৰিটো নিয়মীয়া বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ৱকফ সংশোধনী আইনক প্ৰত্যাহ্বান জনাই অসমৰ পৰা উচ্চতম ন্যায়ালয়ত দুখন আবেদন দাখিল কৰা হৈছে। এই বাতৰিটো দৈনিক অসম কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

0000000

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে বিজুলী ঢেৰেকনিৰে বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩১ ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২১ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

অহা ২৪ ঘণ্টাত অসম আৰু মিজোৰামৰ বহু ঠাইত তথা অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড, মণিপুৰ আৰু ত্ৰিপুৰাৰ ঠাইবিশেষে পাতলিয়াৰ পৰা মজলীয়া বৰষুণ হ'ব বুলি বতৰ বিজ্ঞান কেন্দ্ৰই প্ৰকাশ কৰিছে। বতৰ বিজ্ঞান কেন্দ্ৰই এই সময়ছোৱাত অসম, মণিপুৰ আৰু ত্ৰিপুৰাৰ ঠায়ে ঠায়ে বিজুলী ঢেৰেকনিৰ লগতে প্ৰতি ঘণ্টাত ৩০ৰ পৰা ৫০ কিলোমিটাৰ বেগত বতাহ বলাৰ আশংকা প্ৰকাশ কৰিছে।

00000

সমাপ্ত